# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 09-05-2024

**Time :** 17-15 Hrs

# Assamese Evening Bulletin

**::::::: ::::::: :::::::: ::::::::**

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হৈছে। এইবাৰ শীৰ্ষস্থান অবিহনে এই পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। ফলাফল অনুসৰি কলা শাখাত ৮৯ দশমিক ১-৮ শতাংশ, বিজ্ঞান শাখাত ৮৯ দশমিক ৮-৮ শতাংশ, বাণিজ্য শাখাত ৮৭ দশমিক ৮-০ শতাংশ আৰু বৃত্তিমুখী শাখাত ৮৫ দশমিক ৭-৮ শতাংশ পৰিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰা মতে এইবেলি পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ ২ লাখ ৭৩ হাজাৰ ৯০৮ গৰাকী পৰিক্ষাৰ্থীৰ মাজৰ পৰা ২ লাখ ৪২ হাজাৰ ৭৯৪ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছে।

ফলাফল অনুসৰি কলা শাখাত মুঠ ৪০ হাজাৰ ৪৯৯ গৰাকী প্ৰথম বিভাগত, ৬৫ হাজাৰ ৫৩২ গৰাকী দ্বিতীয় বিভাগত আৰু ৭২ হাজাৰ ৭৭৫ গৰাকী পৰিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হোৱাৰ বিপৰীতে বিজ্ঞান শাখাত ২৩ হাজাৰ ৫৫২ গৰাকী প্ৰথম বিভাগত, ১৭ হাজাৰ ৩৩৯ গৰাকী দ্বিতীয় বিভাগত আৰু ৮ হাজাৰ ৬২ গৰাকী পৰিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। আনহাতে বাণিজ্য শাখাত ৫ হাজাৰ ৯১৫ গৰাকী প্ৰথম বিভাগত, ৬ হাজাৰ ৮৭ গৰাকী দ্বিতীয় বিভাগত আৰু ৩ হাজাৰ ১৯৪ গৰাকী পৰীক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হোৱাৰ বিপৰীতে বৃত্তিমুখী শাখাত ১৬৩ গৰাকী প্ৰথম বিভাগত, ৪৪৫ গৰাকী দ্বিতীয় বিভাগত আৰু ১৪০ গৰাকী পৰীক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হয়।

ফলাফলত প্ৰকাশ পোৱা মতে এইবাৰৰ পৰীক্ষাত কলা শাখাত বাক্সা জিলাই প্ৰথম স্থান, নলবাৰী জিলাই দ্বিতীয় আৰু দৰং জিলাই তৃতীয় স্থান লাভ কৰিছে। আনহাতে বিজ্ঞান শাখাত তামুলপুৰ আৰু শিৱসাগৰ জিলাই প্ৰথম স্থান লাভ কৰাৰ বিপৰীতে বাক্সা আৰু যোৰহাট জিলাই দ্বিতীয় স্থান আৰু বৰপেটা আৰু কামৰূপ জিলাই তৃতীয় স্থান লাভ কৰিছে। একেদৰে বাণিজ্য শাখাত বজালী জিলাই প্ৰথম স্থান, বাক্সা আৰু তামুলপুৰ জিলাই দ্বিতীয় স্থান আৰু বৰপেটা আৰু নগাঁও জিলাই তৃতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে।

আমাৰ সংবাদদাতাই জনোৱা অনুসৰি যোৰহাট জিলাত বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ হৈছে ৯৫ দশমিক ০-৪ শতাংশ। আনহাতে, কলা শাখাত উত্তীৰ্ণৰ হাৰ ৯৫ দশমিক ০-২ শতাংশৰ বিপৰীতে বাণিজ্য শাখাত এই হাৰ হৈছে

৮৬ দশমিক ৬-৫ শতাংশ। একেদৰে শোণিতপুৰ জিলাত বিজ্ঞান শাখাত অৱতীৰ্ণ হোৱা ৯ হেজাৰ ৩১০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৮ হাজাৰ ১৩১গৰাকী উত্তীৰ্ণ হৈছে। তামুলপুৰ জিলাৰ বাণিজ্য মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলেও ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ ১০৫গৰাকী পৰিক্ষাৰ্থীৰ ভিতৰত ৩২গৰাকীয়ে প্ৰথম বিভাগত, ৬৬গৰাকীয়ে দ্বিতীয় বিভাগত আৰু ৭গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষা মহানগৰীৰ কেইবাখনো শিক্ষানুষ্ঠানে ভাল ফলাফল দেখুৱাবলৈ সমৰ্থ হৈছে। ফলাফল অনুসৰি কটন বিশ্ববিদ্যালয়ৰ কলা শাখাত উত্তীৰ্ণৰ হাৰ ৯৭ শতাংশ হোৱাৰ বিপৰীতে বিজ্ঞান শাখাত এই হাৰ হৈছে ৯৬ দশমিক ৪ শতাংশ। মহানগৰীৰ তাৰিণী চৰণ চৌধুৰী চৰকাৰী ছোৱালী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ ১০০ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হবলৈ সমৰ্থ হৈছে।

০০০০

অসম লোকসেৱা আয়োগে ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। মূল পৰীক্ষাৰ বাবে সৰ্বমুঠ দুহেজাৰ ৮৯৮গৰাকী পৰিক্ষাৰ্থীয়ে যোগ্যতা অৰ্জন কৰিছে। ইয়াৰ ভিতৰত ৭১৯গৰাকী মহিলা, ১০৬গৰাকী বিশেষভাৱে সক্ষম আৰু ১০২গৰাকী প্ৰাক্তন সৈনিক পৰিক্ষাৰ্থীও আছে। পোনপ্ৰথমবাৰৰ বাবে পৰীক্ষাটোত মৰাণ, মটকৰ বাবে সংৰক্ষণ কৰা পদৰ বিপৰীতেও প্ৰাৰ্থীয়ে মূল পৰীক্ষাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। উল্লেখযোগ্য যে, ৰাজ্যৰ ৩২খন জিলাৰ ১১৬টা কেন্দ্ৰত সৰ্বমুঠ ২৩৫টা পদৰ বিপৰীতে অনুষ্ঠিত হোৱা এই পৰীক্ষাত ৬৭ হাজাৰ ২৯১গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছে। আয়োগৰ এক বিবৃতি অনুসৰি জুলাই মাহৰ শেষ ভাগত মূল পৰীক্ষা অনুষ্ঠিত হ'ব। মূল পৰীক্ষাৰ প্ৰশ্নকাকতসমূহ ইংৰাজীৰ লগতে অসমীয়াতো উপলব্ধ হ'ব। পৰিক্ষাৰ্থীসকলে অসমীয়া মাধ্যমতো উত্তৰসমূহ লিখিব পাৰিব।

০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত দেশৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিৰ বাবে মুঠ ৬৯৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হৈছে। এই পৰ্যায়ৰ বাবে মুঠ এহেজাৰ ৫৮৬ খন মনোনয়ন পত্ৰ দাখিল কৰা হৈছিল আৰু পৰীক্ষাৰ অন্তত ৭৪৯ খন মনোনয়ন বৈধ হিচাপে বিবেচিত হৈছে। এই পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪ খন, মহাৰাষ্ট্ৰৰ ১৩ খন, পশ্চিমবংগৰ ৭খন, বিহাৰ আৰু ওড়িশাৰ ৫ খনকৈ, ঝাৰখণ্ডৰ তিনিখন আৰু জম্মু কাশ্মীৰ তথা লাডাখৰ এখনকৈ আসনৰ বাবে অহা ২০ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

ইফালে ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন। এই পৰ্যায়ৰ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৮ টা সংসদীয় সমষ্টিত নিৰ্বাচন হ'ব। দিল্লীৰ ৭ খন, হাৰিয়ানাৰ ১০, উত্তৰ প্ৰদেশৰ ১৪, বিহাৰ আৰু পশ্চিমবংগৰ ৮ খনকৈ, ওড়িশাৰ ৬খন, ঝাৰখণ্ডৰ ৪খন, জম্মু আৰু কাশ্মীৰৰ এখন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত সন্মানীয় পদ্ম বঁটাসমূহ প্ৰদান কৰিব। দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী এই তিনিটা শিতানত প্ৰদান কৰা হয়। কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, ঔষধ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া আৰু অসামৰিক সেৱা আদি বিভিন্ন শিতানত পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰতি বছৰে গণৰাজ্য দিৱসৰ দিনা এই

বঁটাসমূহ ঘোষণা কৰা হয়। যোৱা ২২ এপ্ৰিলত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তিনিগৰাকী ব্যক্তিক পদ্মবিভূষণ, ৮ গৰাকীক পদ্মভূষণ আৰু ৫৫ গৰাকী ব্যক্তিক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰিছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ